ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক গৃহীত হ’লে নির্বাচনৰ জৰিয়তে বিজেপিক পৰাস্ত কৰা কঠিন হ’ব: সৌৰভ দাস

কেন্দ্রীয় চৰকাৰৰ সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক গৃহীত হ’লে নির্বাচনৰ জৰিয়তে বিজেপিক ক্ষমতাৰ পৰা আঁতৰোৱা কঠিন হ’ব পাৰে বুলি সকীয়নি দিয়ে চিজেপিৰ সৌৰভ দাসে।

প্রকাশ: ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৯



Saurav Das

নতুন দিল্লী, ২৯ নৱেম্বৰ: কেন্দ্রীয় চৰকাৰৰ প্রস্তাৱিত সমষ্টি পুনর্নির্ধাৰণ বিধেয়কখনক তীব্র বিৰোধিতা কৰিছে ককৰোচ জনতা পার্টি (চিজেপি)-ৰ সহ-আহ্বায়ক তথা অনুসন্ধানমূলক সাংবাদিক সৌৰভ দাসে। দেওবাৰে নতুন দিল্লীৰ প্রেছ ক্লাব অৱ ইণ্ডিয়াত সম্বোধন কৰা এক সংবাদমেলত তেওঁ সকীয়াই দিয়ে যে বিধেয়কখন সংসদত গৃহীত হ’লে ভৱিষ্যতে নির্বাচনৰ জৰিয়তে বিজেপিক ক্ষমতাৰ পৰা আঁতৰোৱাটো অত্যন্ত কঠিন হৈ পৰিব পাৰে।

সংবাদমেলত অভিযোগ উত্থাপন কৰি দাসে কয় যে কেন্দ্রীয় চৰকাৰে প্রথমে ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত

সংশোধন (এছআইআৰ)-ৰ জৰিয়তে ভোটাৰৰ নাম কৰ্তন কৰিছে আৰু এতিয়া সমষ্টি পুনর্নির্ধাৰণৰ জৰিয়তে নির্বাচনী সমীকৰণ সলনি কৰাৰ চেষ্টা চলাইছে। পৰৱৰ্তী সময়ত ‘এক দেশ, এক নির্বাচন’ ব্যৱস্থা কার্যকৰী হ’লে দেশৰ গণতান্ত্রিক ব্যৱস্থাৰ ওপৰত ইয়াৰ গভীৰ প্রভাৱ পৰিব পাৰে বুলিও তেওঁ মন্তব্য কৰে।

দাসে কয় যে প্রতিগৰাকী ভোটাৰৰ মূল্য সমান। কিন্তু এছআইআৰ, সমষ্টি পুনর্নির্ধাৰণ আৰু এক দেশ, এক নির্বাচন একেলগে কার্যকৰী কৰিলে শাসকীয় দলক নির্বাচনত পৰাজিত কৰাটো কঠিন হৈ পৰিব পাৰে, যিটো ভাৰতীয় গণতন্ত্রৰ বাবে এক গুৰুতৰ সংকট।

চিজেপিয়ে বিধেয়কখনৰ সম্পূর্ণ বিৰোধিতা কৰা বুলি উল্লেখ কৰি নেতাগৰাকীয়ে দাবী কৰে যে সমষ্টি পুনর্নির্ধাৰণৰ জৰিয়তে এনেদৰে সীমা নির্ধাৰণ কৰাৰ সম্ভাৱনা আছে, যাৰ ফলত বিজেপি লাভৱান হ’ব। ইয়াৰ উপৰি সমষ্টি পুনর্নির্ধাৰণ আয়োগৰ ক্ষমতা আৰু সিদ্ধান্তৰ বিৰুদ্ধে ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ সুযোগ সীমিত হোৱাক লৈও তেওঁ উদ্বেগ প্রকাশ কৰে।

বিধেয়কখন সমর্থন কৰিব বিচৰা বিৰোধী দলসমূহকো সকীয়াই দি দাসে কয় যে যিবোৰ ৰাজনৈতিক দলে এই বিধেয়ক গৃহীত কৰাত সহায় কৰিব, তেওঁলোকক দেশৰ যুৱ প্রজন্মই কেতিয়াও ক্ষমা নকৰিব। সেয়েহে সকলো বিৰোধী দলকে বিধেয়কখনৰ বিৰুদ্ধে ঐক্যবদ্ধ হ’বলৈ তেওঁ আহ্বান জনায়।

মহিলা সংৰক্ষণ সন্দর্ভতো মত প্রকাশ কৰি তেওঁ কয় যে সংসদ আৰু বিধানসভাত মহিলাৰ প্রতিনিধিত্ব বৃদ্ধিৰ প্রয়োজন আছে যদিও ২০২৯ চনলৈ সংৰক্ষণ পিছুৱাই দিয়াটো অনুচিত। সংৰক্ষণ প্রদানৰ সদিচ্ছা থাকিলে চৰকাৰে এতিয়াই সেয়া কার্যকৰী কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ সমান্তৰালকৈ যুৱ প্রজন্মৰ প্রতিনিধিত্ব, নিবনুৱা সমস্যা, শিক্ষা আৰু স্বাস্থ্যৰ বিষয়সমূহ সংসদত অধিক গুৰুত্বসহকাৰে উত্থাপন কৰিবলৈ তেওঁ ৰাজনৈতিক দলসমূহক আহ্বান জনায়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7631/delimitation-bill-saurav-das-bjp-allegations